**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-03-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

## Headlines

১। এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনে মহিলা উদ্যমীসকলৰ কাৰণে সৰলীকৰণৰ পৰিৱেশ সৃষ্টি কৰিছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

২। ৰাজ্য চৰকাৰে নতুনকৈ গ্ৰহণ কৰা অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতিত কৃষি আৰু তথ্য প্ৰযুক্তিকে ধৰি ৫ টা খণ্ডক অগ্ৰাধিকাৰ খণ্ড হিচাপে ঘোষণা।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি নতুন দিল্লীত আয়োজিত কৃষি আৰু গ্ৰাম্য সমৃদ্ধি সন্দৰ্ভত বাজেটোত্তৰ ৱেবিনাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ।

৪। কাইলৈ ৰমজানৰ প্ৰথম ৰোজা আৰম্ভ বুলি কেন্দ্ৰীয় হিলাল সমিতি, অসমৰ প্ৰকাশ।

*আৰু*

৫। বেংগালুৰুত আজি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত ডেল্হী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী-বিষয়াসকলৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ ফলত সদ্য সমাপ্ত দ্বিতীয় এডভাণ্টেজ আছামত বহুকেইখন বিদেশী ৰাষ্ট্ৰই অংশগ্ৰহণ কৰা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেলত জানিবলৈ দিছে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে জাপান, মালয়েছিয়া, কোৰিয়া, ছিংগাপুৰ, থাইলেণ্ড, গ্ৰেট ব্ৰিটেইন আৰু সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰকে ধৰি বিভিন্ন ৰাষ্ট্ৰৰ মুখ্য অংশীদাৰসকলৰ সৈতে ১৮০ খনতকৈও অধিক বৈঠক অনুষ্ঠিত হৈছিল। ইয়াৰ ফলত এই শীৰ্ষ সন্মিলনত এহেজাৰ ১০০ ৰো অধিক আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিয়ে অংশ লৈ ৰাজ্যৰ উদ্যোগ আৰু উদ্ভাৱন ক্ষেত্ৰত বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে বুলি মুখ্যমন্ত্ৰীয়ে কালিৰ সংবাদমেলত অৱগত কৰে।

ৰাজ্যত প্ৰথমবাৰৰ বাবে বিদেশী বিনিয়োগ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্মিলনত ৰাজ্যৰ ঔদ্যোগীক খণ্ডত ৪১০ কোটি টকা, পশুপালন খণ্ডত ৩০০ কোটি টকা আন্তৰ্জাতিক গোটে বিনিয়োগ কৰিছে বুলি সদৰি কৰে। অসমে সৰ্বমুঠ লাভ কৰা প্ৰায় ৫ লাখ কোটি টকা মূল্যৰ বিনিয়োগৰ প্ৰস্তাৱৰ পৰা ২ লাখৰো অধিক নিয়োগৰ সৃষ্টি হ'ব বুলি ড° শৰ্মাই আশা প্ৰকাশ কৰিছে। সন্মিলনখনত প্ৰাপ্ত প্ৰস্তাৱসমূহৰ প্ৰকৃত ৰূপায়ণ সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে এটা শক্তিশালী ট্ৰেকিং প্ৰণালীৰ ব্যৱস্থা কৰিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনে ৰাজ্যত এটা নতুন কৰ্ম বিপ্লৱৰ সূচনা

কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্রীগৰাকীয়ে অসমৰ মহিলা উদ্যমীসকলৰ কাৰণেও এই সন্মিলনে বিশেষ সুবিধা সৃষ্টি কৰিছে বুলি দাবী কৰে। অসমৰ ৪০ লাখ মহিলা উদ্যমীক উদ্ভাৱন আৰু উৎপাদন খণ্ডত আগবঢ়োৱা সহায়ৰ ভিত্তিত মহিলা সৱলীকৰণ আৰু উন্নয়নৰ ক্ষেত্ৰত এই সন্মিলনে বিশেষ ভূমিকা পালন কৰিছে বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে।

-(চি এম বাইট)-

আজি পৰ্যন্ত জনসাধাৰণৰ বাবে মুকলি থকা এডভাণ্টেজ আছামৰ প্ৰদৰ্শনীখনৰ কথা উল্লেখ কৰি তেওঁ কয়, যে এই প্ৰদৰ্শনীত ২০০ ৰো অধিক বিপণীৰ জৰিয়তে ৰাজ্যৰ বিকাশ আৰু উদ্ভাৱনৰ অনন্য দিশসমূহ প্ৰদৰ্শন কৰা হৈছে।

ooooo

ৰাজ্য চৰকাৰে নতুনকৈ গ্ৰহণ কৰা অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতি, ২০২৫ অনুসৰি কৃষি প্ৰযুক্তি, তথ্য প্ৰযুক্তি, তথ্য প্ৰযুক্তি নিৰ্ভৰ সেৱা আৰু কৃত্ৰিম বুদ্ধিমত্তা, ভ্ৰমণ প্ৰযুক্তি, খাদ্য প্ৰযুক্তি আৰু সেউজ প্ৰযুক্তি খণ্ডক অগ্ৰাধিকাৰ খণ্ড হিচাপে ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ২০১৭ চনৰ অসম ষ্টাৰ্টআপ নীতিক বহল পৰিসৰলৈ লৈ যাবলৈ শেহতীয়াকৈ অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতিক ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন দিছে। এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে এই নীতি বলৱৎ কৰাৰ অধিসূচনা জাৰি কৰা হৈছিল। এই নীতি অনুযায়ী অসমত আৰম্ভ কৰিব বিচৰা ষ্টাৰ্টআপ বোৰৰ একোটা ইউনিক আই ডি দিয়া হ'ব। মাই আছাম ষ্টাৰ্ট আপ আই ডি অৰ্থাৎ মাছি পাবলৈ আবেদনকাৰীসকলে নিৰ্দিষ্ট প'ৰ্টেলত আবেদন কৰিব লাগিব। মাছিৰ জৰিয়তেহে ষ্টাৰ্টআপসমূহে নতুন অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতিৰ অধীনত সা-সুবিধাসমূহ লাভ কৰিব। উদ্যমীসকলৰ সুবিধা হোৱাকৈ আছাম ষ্টাৰ্টআপ হাবত উপলব্ধ সা-সুবিধাসহ বিনামূলীয়াকৈ কাৰ্যালয় পতাৰো সুবিধা এই নীতিৰ অধীনত কৰা হৈছে। আৰ্থিক অনুদানৰ ক্ষেত্ৰতো মাছি থকা উদ্যমীসকলে ১০ লাখ টকা পৰ্যন্ত এককালীন অনুদান লাভ কৰিব পাৰিব। পৰৱৰ্তী সময়ত পাইলট প্ৰজেক্ট আৰম্ভ কৰাৰ বাবে ২৫ লাখ টকালৈকে আৰ্থিক অনুদান লাভ কৰাৰ সুবিধাও এই নতুন উদ্ভাৱন নীতিৰ অধীনত কৰা হৈছে। ইয়াৰ লগতে উৎকৃষ্ট প্ৰদৰ্শন দেখুওৱা উদ্যমী আৰু উদ্ভাৱকসকললৈ স্কেল আপ গ্ৰাণ্ট হিচাপে ৫০ লাখ টকা পৰ্যন্ত অনুদান পোৱাৰ সুযোগ নতুন ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতিত আছে। এই নীতি কাৰ্যকৰী কৰিবলৈ উদ্যোগ বিভাগৰ জ্যেষ্ঠতম সচিবক অধ্যক্ষ হিচাপে লৈ এখন উচ্চস্তৰীয় কমিটি আৰু এখন নীতি ৰূপায়ণ সমিতি গঠনৰ কথা কোৱা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পৰৱৰ্তী বাজেটত উদ্যমী আৰু উদ্ভাৱকসকলক সহায় কৰিব পৰাকৈ কমেও ১০০ কোটি টকা ধাৰ্য কৰা বুলি ঘোষণা কৰিছে।

ooooo

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কালি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল।

যোৰহাট জিলাৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান, চি এছ্ আই আৰ-নিষ্টত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে আয়োজন কৰা যুৱ বিজ্ঞান সমাৰোহত কালি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশ লয়। ডাঃ পেগুৱে তেওঁৰ ভাষণত ৰাজ্যৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত গৱেষণা পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে চি এছ্ আই আৰৰ দৰে আগশাৰীৰ গৱেষণা প্ৰতিষ্ঠানসমূহক এই ক্ষেত্ৰত মহাবিদ্যালয়সমূহক সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকে। জিলাখনৰ বাহনা মহাবিদ্যালয়ত আজি এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ উদ্যোগত  তিনিচুকীয়া জিলাৰ হাতীজান গাঁৱৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত  ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড০ ৰাজীৱ বৰদলৈয়ে নৱপ্ৰজন্মৰ মনত বৈজ্ঞানিক মানসিকতাৰ কেনেদৰে বিকাশ কৰিব পাৰি সেই বিষয়ত বক্তব্য আগবঢ়ায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুপৰীয়া নতুন দিল্লীত আয়োজিত কৃষি আৰু গ্ৰাম্য সমৃদ্ধি সন্দৰ্ভত এখন দিনজোৰা বাজেটোত্তৰ ৱেবিনাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দিব। এই অনুষ্ঠানত সকলো কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। ২০২৫ বৰ্ষৰ বাজেটত ঘোষণা কৰা সিদ্ধান্তসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাৰ অৰ্থে অংশীদাৰসকলক জড়িত কৰাৰ লক্ষ্যৰে এই ৱেবিনাৰত আলোচনা কৰা হ'ব। কৃষি খণ্ডৰ বিকাশ আৰু গ্ৰাম্য সমৃদ্ধি সন্দৰ্ভত বাজেটত নিৰ্ধাৰণ কৰা এই লক্ষ্যত সহযোগিতাৰে উপনীত হোৱাতো নিশ্চিত কৰাৰ ক্ষেত্ৰত এই ৱেবিনাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানো এই অনুষ্ঠানত উপস্থিত থাকিব। এই ৱেবিনাৰৰ লক্ষ্য হৈছে সকলোৰে মতামত গ্ৰহণ কৰি আৰু আলোচনা-বিলোচনাৰ মাধ্যমেৰে নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে সময় মতে আৰু সমন্বয়ৰে কাৰ্যপন্থা গ্ৰহণ কৰা। ইয়াৰ লগতে এই ৱেবিনাৰৰ আন এটা লক্ষ্য হৈছে ব্যক্তিগত খণ্ডৰ বিশেষজ্ঞসকলকে ধৰি ঔদ্যোগিক প্ৰতিনিধি, বিষয়বস্তুৰ বিশেষজ্ঞ আদি মূল অংশীদাৰসকলক ২০২৫ বৰ্ষৰ বাজেত ৰূপায়ণ ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰা।

০০০০০

Paper REVEW (01-03-2025) Morn 269

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে দ্বিতীয় এডভাণ্টেজ আছাম সংক্ৰান্তীয় বিভিন্ন বা-বাতৰিৰ লগতে শ্বেয়াৰ বজাৰৰ অভিলেখ পতনৰ বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে ৫ বছৰত অসম উন্নয়নৰ মূল কক্ষপথত উপনীত হ'ব শিৰোনামেৰে দ্বিতীয় এডভাণ্টেজ আছামত ৫ কোটি ১৮ লাখ টকাৰ বিনিয়োগৰ প্ৰস্তাৱৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ বাতৰিক বক্স নিউজ হিচাপে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে এডভাণ্টেজ আছামৰ ব্যাপক সফলতাৰ জয়গানৰ দুদিনৰ পাছতে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে **৪ মাৰ্চত আকৌ ল'ব ৯০০ কোটিৰ ঋণ** শিৰোনামেৰে প্ৰধান বাতৰি পৰিৱেশন কৰিছে।

অসমীয়া খবৰ কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম **এডভাণ্টেজ আছাম ঃ নতুন অসমৰ শুভাৰম্ভ, দুই লক্ষাধিকে পাব চাকৰি**।

দি আছাম ট্ৰিবিউন কাকতে সদৌ অসম ছাত্ৰ সন্থাই নতুন প্ৰকল্পসমূহত থলুৱা যুৱক-যুৱতীৰ উচ্চ পদত নিযুক্তি বিচৰাৰ বাতৰিক প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে চীনৰ সামগ্ৰীত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ ১০ শতাংশ কৰা আৰোপৰ পাছতে বিশ্বজুৰি শ্বেয়াৰ বজাৰত দেখা দিয়া অনিশ্চয়তাৰ লগতে ভাৰততো বিনিয়োগকাৰীয়ে এদিনতে ৯ কোটি ৯১ লাখ টকা হেৰুওৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত বিশেষ গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম **অকল্পনীয় আৰ্থিক ক্ষতি বিনিয়োগকাৰীৰ, শ্বেয়াৰ বজাৰত ভয়ংকৰ পতন অব্যাহত**।

দৈনিক জনমভূমি কাকতে ২৮ বছৰৰ অভিলেখ ৯১ লাখ কোটি টকা লোকচান শিৰোনামেৰে এই বাতৰি প্ৰধান বাতৰিৰ স্থান দিছে।

আমাৰ অসম কাকতে অন্ত পৰিবৰ ধৰা বিত্তীয় বৰ্ষৰ তৃতীয় ত্ৰৈমাশিক দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ২ শতাংশলৈ বৃদ্ধি পোৱা বুলি ৰাষ্ট্ৰীয় পৰিসংখ্যা কাৰ্যালয়ে তথ্য আগবঢ়োৱাৰ দিনাই শ্বেয়াৰ বজাৰত অস্বাভাৱিক পতনৰ বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে মুখ্যমন্ত্ৰীয়ে অহা ছমাহৰ ভিতৰত এডভাণ্টেজ আছামৰ বুজাবুজিৰ চুক্তিসমূহত গ্ৰহণ কৰা পৰিকল্পনাসমূহ বাস্তৱত পৰিণত হ'ব বুলি কৰা মন্তব্যৰ বাতৰিক আজি মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

০০০০০

কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হ'ব। কেন্দ্ৰীয় হিলাল সমিতি অসমেও কাইলৈ ৰমজানৰ প্ৰথম ৰোজা আৰম্ভ হ'ব বুলি জানিবলৈ দিছে। সমিতিৰ সভাপতি আৰু সম্পাদকে আমাৰ সংবাদদাতাক জনোৱা মতে, কালি সন্ধিয়া অসম তথা দেশৰ অন্য প্ৰান্তত, আকাশত ৰমজান মাহৰ জোন দেখা নোযোৱাৰ পৰিপ্ৰেক্ষিতত কাইলৈ ৰমজান মাহ আৰম্ভ হ'ব। হিলাল সমিতিৰ তথ্য অনুসৰি কাইলৈ প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় সন্ধিয়া ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় সন্ধিয়া ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় সন্ধিয়া ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হৈছে। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ মূল্য।

কাইলৈ আৰম্ভ হ'বলগীয়া পৱিত্ৰ ৰমজান মাহ সন্দৰ্ভত আমাক অধিক জনাইছে কৃতি শিক্ষক, ইছলাম ধৰ্মীয় অধ্যয়ন বিষয়ৰ গৱেষক তথা অসম উলেমা ঐক্য মঞ্চৰ সভাপতি ড০ আবুল কালামে–

*(বাইট ঃ ড০ আবুল কালাম)*

আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা মতে গোৱালপাৰা জিলাতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ফল-মূল, ছেৱৈ, খেজুৰ, মিঠাই আদি সুস্বাদু খাদ্যৰে জিলাখনৰ হাট-বজাৰসমূহ ভৰি পৰিছে।

০০০০০

ৰাজ্যখনৰ সংবাদ জগতত এটা পৰিচিত নাম - নিতুমনি শইকীয়া। উত্তৰ অসমৰ এখন সৰু চহৰৰ পৰা অহা এজন তীক্ষ্ণধী যুৱক এদিন আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ আহি প্ৰচাৰ মাধ্যমৰ সৈতে কিদৰে জড়িত হৈছিল আৰু পৰৱৰ্ত্তী কালত কিদৰে ৰাজ্যৰ টেলিভিছন সংবাদ মাধ্যমত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছিল সেই বিষয়ে তেওঁৰ নিজৰ মুখেৰেই শুনিবলৈ পাব আজি নিশা ৮ বাজি ২ মিনিটত আমাৰ দৃষ্টিপাত অনুষ্ঠানত। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু সাক্ষাৎ গ্ৰহণ ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত আজি সন্ধিয়া চাৰে ৭ বজাত ড্ৰেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত খেলত ডেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৯ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ডেলহী কেপিটেলছে ১২৪ ৰাণৰ বিজয় লক্ষ্যৰে খেলি হাতত ৯টা উইকেট আৰু ৩৩টা বল বাকী থকা অৱস্থাত বিজয় সাব্যস্ত কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহ কৰে। ডেলহী কেপিটেলছৰ অধিনায়ক মেগ লেনিঙে ৪৯টা বলত অপৰাজিত ৬০ ৰাণৰ বৰঙণি আগবঢ়ায়। দলটোৰ শেফালী বাৰ্মাই ৪৩ ৰাণ কৰে। মিন্নু মানী আৰু জেছ জ'নাশ্বেনে ডেলহী কেপিটেলছৰ হৈ তিনিটাকৈ উইকেট দখল কৰে। জেছ জ'নাশ্বেনক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত ডেলহী কেপিটেলছে মহিলা প্ৰিমিয়াৰ লীগৰ তালিকাৰ শীৰ্ষস্থান দখল কৰিবলৈ সমৰ্থ হয়।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত দিনৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

তদুপৰি অহা ২৪ ঘণ্টাত অসম আৰু অৰুণাচল প্ৰদেশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

ooooo

সমাপ্ত